# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** **তাং- ৩০/০৪/২০১৯**

## কাৰ্য্যবিৰৰণী

আজি ইং ৩০/০৪/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । মূখ্য ন্যায়িক দণ্ডাধীশৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনিত কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ উপৰিও ন্যায়িক বিষয়া সকল উপস্থিত থাকে ।

বৈঠকৰ আৰম্ভণিতে ভূক্তভোগীসকলৰ বিবৃতিৰ প্ৰতিলিপি প্ৰদানৰ ওপৰত আলোচনা হয় । আলোচনাত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩৬৬, ৩৬৬(ক), ৩৭৬ আৰু POCSO আইনৰ অন্তৰ্গত গোচৰৰ ভূক্তভোগীসকলে ফৌজদাৰী আইনৰ ধাৰা ১৬৪ ৰ অধীনত প্ৰদান কৰা বিবৃতিসমূহৰ প্ৰতিলিপি প্ৰদানৰ ক্ষেত্ৰত মহামন্য উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ হুকুমৰ আলোচনা কৰা হয় ।

নতুনকৈ নিয়োজিত হব লগা কৰ্মচাৰীসকলক প্ৰদান কৰিব পৰা সম্ভাব্য কাৰ্যৰ ওপৰত থুলমূল আলোচনা কৰা হয় । লগতে GR বিভাগত প্ৰয়োজনীয় চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ নিযুক্তিৰ সম্পৰ্কে মতপোষণ কৰে ।

লোক-আদালতৰ ডাকযোগে প্ৰেৰণ কৰিব লগীয়া চমনসমূহৰ বাবে প্ৰয়োজনীয় ডাক টিকট যিহেতু জিলা আইন সেৱা প্ৰাধিকৰণৰ তৰফৰ পৰা যোগান ধৰিব লাগে, গতিকে এই ক্ষেত্ৰত প্ৰয়োজনীয় ডাক টিকটৰ পৰিমাণ অৱগত কৰিবলৈ পৰামৰ্শ আগবঢ়াই । ইয়াৰ উপৰিও MV Act ৰ গোচৰসমূহৰ ক্ষেত্ৰত উপযুক্ত Register পৰিচালনা কৰিবলৈ জনায় ।

Bench সহায়ক সকলক আনুসংগিক Register সমূহ প্ৰতিদিনে Update কৰিবলৈ নিৰ্দেশ কৰে । ইয়াৰ লগতে কিছু কৰ্মচাৰীৰ NPS নম্বৰ তথা সা-সামগ্ৰী বৰ্তমানলৈকে লাভ নকৰা সমস্যাৰ ওপৰত আলোচনাৰ ওপৰিও NPS সম্পৰ্কীয় দিহা পৰামৰ্শ আগবঢ়াই ।

প্ৰতিলিপি প্ৰদানৰ ক্ষেত্ৰত Folio ৰ বিনিময়ত এক নূন্যতম মাচুল আদায় লবলৈ পৰামৰ্শ প্ৰদান কৰে। যাৰ জৰিয়তে প্ৰতিলিপি সম্পৰ্কীয় আনুসংগিক সামগ্ৰী আৰু সেৱা যোগান ধৰিব পৰা যায়।

যিহেতু PSI Court ৰ কৰ্মচাৰীসকলো কাৰ্য্যালয়ৰ অন্তৰ্গত, গতিকে তেওঁলোকৰ সুবিধা তথা অসুবিধাসমূহৰ বিষয়ে অৱগত হোৱাটো বাঞ্চনীয়। সেয়েহে, PSI Court ৰ কৰ্মচাৰীসকলকো পৰৱৰ্তী মাহেকীয়া বৈঠকত উপস্থিত থাকিবলৈ জাননী প্ৰদান কৰিবলৈ নিৰ্দেশ কৰে। ইয়াৰ পাছতে কাৰ্য্যালয়ৰ অন্যান্য শিতানৰ ওপৰত থূলমূল আলোচনা হয় আৰু জলযোগেৰে বৈঠকৰ সামৰণি পৰে।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰুপক ৰজক)

| অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ |
| --- | --- | --- |
| (ৰাহুল মেধি) | (মনিকা মিচং) | (নাজৰানা পাৰবিন ৰেহমান) |